# হেৰাল

মহম্মদ ৰফি? বা মুকেশ, আজি আৰু ঠিক মনত নাই। গানটোৰ কথাবোৰো আৰু মনত নাই, মাথোঁ তাৰ আৰম্ভণিৰ বাজনাটো মাজে-মাজে কেতিয়াবা মনত গুণ্‌গুণ্ কৰি বাজি উঠে অকস্মাৎ, অপ্ৰত্যাশিত, বিভিন্ন ঠাইত।

কোন চিনেমাৰ গান? চিনেমাৰ গান নে? কেতিয়া প্ৰথম শুনিছিলোঁ, ক'ত, কাৰ লগত, কি পৰিৱেশ, কি পাৰিপাৰ্শ্বিক? সি বহুদিন আগৰ কথা, একেবাৰে সৰুতে, ইস্কুলত পঢ়োঁতেই। হয়তো মাৰ বুকুৰ বিষৰ ঔষধ আনিবলৈ যোৱা ফাৰ্মাচীখনৰ ৰাস্তাতে পৰা চিনেমাহলটোৰ লাউডস্পীকাৰত আবেলি, হয়তো আমাৰ ঘৰত কোনো দুপৰীয়া ৰেডিঅ'ত, হয়তো ৰাতি কোনো ঘৰৰ খিৰিকিৰে।

কপাল কোঁচাই মাই কৈছিল, "তই পঢ়িছনে কি কৰিছ? পঢ়াৰ মাজে-মাজে কি সুহুৰি মাৰিব আৰম্ভ কৰিছ?"

দেউতাই কৈছিল, "মাৰক দিয়া, মাৰক দিয়া, একেলেঠাৰিয়ে পঢ়ি থাকিলে ব্ৰেইনটো জেম্ হৈ যায়, মগজটো বন্ধ হৈ যায়—মাজে-মাজে মনটো ভাল লগাই ল'ব লাগে—ব্ৰেইনটোৱেও জিৰণি পায়, স্ফূৰ্তিও হয়।"

মাই কৈছিল, "জানো, আমি হ'লে পাই তেনেকৈ পঢ়াৰ মাজতে গান-চান গোৱা নাছিলোঁ—জানো পাই!"

জিৰণিৰ কথা ক'ব নোৱাৰোঁ, কিন্তু অপাৰ স্ফূৰ্তিত সুহুৰিটো ওলাইছিল, বিকৃত আৰু স্বতঃস্ফূৰ্ত, মাইও বোধকৰোঁ বুজি পাইছিল ঃ বাল্টিৰপৰা ঘটিৰে পানী ঢালি-ঢালি গা ধোওঁতে, কিতাপ-বহী ধাঁ কৰি তুলি লৈ দুৱাৰডলিত উজুটি খাই ইস্কুললৈ দৌৰোঁতে, ইস্কুলৰপৰা আহি কিতাপ-বহী দলি মাৰি পেলাই পাকঘৰৰ পিনে দৌৰোঁতে, উচ্ছ্বাস, উচ্ছ্বাস, উচ্ছ্বাস, মাজে-মাজে নতুন-নতুন গানৰ জোৱাৰত সেই সুহুৰি কিছুদিনলৈ স্তব্ধ, তাৰপাছত হয়তো এদিন আচীৰ সন্মুখত মূৰ ফণিয়াই থাকোঁতে হঠাৎ আকৌ গুণগুণ কৰি—

মাই আৰু পিছলৈ বাধা দিয়া নাই (বৰ বেছি জোৰে বা বৰ বেছি বেসুৰা নকৰিলে), কেতিয়াবা এবাৰ কামৰপৰা মূৰ তুলি মোৰ মুখলৈ চাইছে, বেছিভাগ মুখ তুলিও আৰু চোৱা নাই। সেই সময়ত সৰু ল'ৰা-ছোৱালী দুটা লৈ বাইদেউ এবাৰ ঘৰলৈ আহিছিল, বাইদেউৰে ক'লে, "কিনো অনবৰত না-ন্না-না-না-না-ন্না-না কৰি থাক, কাণ ঘোলা কৰি দিলি—ইমান যদি গাবৰে মন গৈছে, বাৰু দুইলাইন কথা নিজেই লগাই দেচোন, কিজানি ভালেই হয়—"

অৱশ্যেই, সেই সময়ত কৰিব নোৱৰা কাম একো নাই (হস্তাক্ষৰ লিখা তেতিয়াও পাহৰা নাই ঃ "চেষ্টাৰ অসাধ্য একো নাই")। দিলোঁ। তাত এনেকি চেষ্টাও নাছিল (অৰ্থ তো নাছিলেই), যেন স্বয়ংক্ৰিয়ভাৱে ভিতৰৰপৰা দুটা লাইন ওলাই আহিল, গোটেইখিনি মনত নাই—"আজি আকাশ নীলা, হৃদয় খোলা, উৰাই দে তোৰ, দে তোৰ মনৰ চিলা, বাহিৰ ওলা, বাহিৰ ওলা—" এনেকুৱা কিবা এটা স্রেফ উৎসাহাতিশয্য, বাইদেউৰে কেঁচুৱাটো কোলাৰপৰা লাহে-লাহে বিছনাত নমাই থৈ আচৰিত হৈ শুনিলে, মোৰ না-ন্না-না-নাৰ লগত সুন্দৰকৈ মিলি গৈছে।

"ইয়ে হয় ভাই, তই পাৰিছ দেখোন!"

"কি যেন ভাবিছ!" পেণ্টৰ দুই জেপত হাত ভৰাই দি বেপৰোৱাভাৱে ক'লোঁ।

"লিখচোন লিখ, শেষ কৰি লিখ", বাইদেউৰে হঠাৎ ব্যস্ত হৈ আকৌ কেঁচুৱাটো কোলাত তুলি ল'লে, "তই দেখোন চেষ্টা কৰিলে গানেই লিখিব পাৰিবি।"

"সুৰো দিব পাৰিম", নিৰ্ভয়ে ক'লোঁ, আৰু আকৌ দুই হাত জেপত ভৰাই দি খুব দীঘলকৈ এবাৰ সুহুৰিটো মাৰিলোঁ।

সপ্তাহে-সপ্তাহে, মাহে-মাহে ইমান সূক্ষ্ম বিকৃতি, ইমান অলক্ষণীয় যোগ-বিয়োগ, মূল সুৰটোৰ অণুমাত্ৰ ছায়াও কি আৰু তাত থাকিল? কিন্তু সেইটো কোনো কথা নহয়, তাৰপৰা কোনো ক্ষতি নহয়—মূল গানটো আজি আৰু গায়কৰেই কি মনত আছে?

ত্যক্ত হৈ এদিন মাই ক'লে, "বোলোঁ সেইডালকে নো আৰু দিনে-দিনে কিমান বদলাই থাক",—কিয়নো ভুলে-শুদ্ধই পাকঘৰৰ ক'লা বেৰকেইখনৰপৰা প্ৰতিফলিত হৈ-হৈ এটা শব্দ-নক্সা মাৰ মনতো বাণীবদ্ধ হৈ গৈছে, মাৰো কাণত বাজে। মই গুণগুণ বন্ধ কৰিলোঁ, কিন্তু বাইদেউৰে কৈ উঠিল, "সি গাওঁ বুলি গোৱা নাই হ'বলা, জান মা, এইটো ক'ৰবাৰ তাৰ ভিতৰৰপৰা আহিছে কিজানি—"

"জানো পাই!" মাই ক'লে।

সৰু আছিলোঁ যদিও, তেতিয়াই মই অস্পষ্টভাৱে বুজিছোঁ, বাইদেউৱে কি ক'ব খুজিছে ঃ ভিতৰত ক'ৰবাত এটা উঁহ আছে, এটা উৎস, এটা আকৰ, প্ৰকৃততে মোৰ সুৰটোৰ লগত বাহিৰ জগতৰ কোনো গানৰ সম্বন্ধ নাই, যি সম্বন্ধ আছে সেইটো নিতান্তই ঘটনাপ্ৰসূত, এটা দুৰ্ঘটনাৰদৰে, বা এটা দৈৱ ঘটনা। ভিতৰত ক'ৰবাত এটা উঁহ আছে, তাৰপৰা কেনেকৈ গানৰ কলি আহিছে, তাত মোৰ নিজৰ হাত নাই, কবিতাৰ শাৰী, ছন্দ মিলিছে বা মিলা নাই, অৰ্থ হৈছে বা হোৱা নাই, কিন্তু ঝলমল উচ্ছ্বাস লৈ আহিছে, স্বতঃস্ফূৰ্ত, অচিন্তিত, আৰু সেইবাবেই হয়তো কাৰো বেয়া লগা নাই, হয়তো ভালো লাগিছে, হয়তো কাৰোবাৰ খুবেই ভাল লাগিছে, আৰু তেনেকৈয়ে এই চঞ্চল উল্লাস আহিব, উঁহটো থাকে মানে আহিব, দ্ৰুত বা মন্থৰ, গভীৰ বা নিৰৰ্থক, কিন্তু প্ৰাণ-প্ৰাচুৰ্যৰে পূৰ্ণ, প্ৰৱাহিত, গতিশীল, জীয়া—

গতিশীল...আজি মোৰ যিখন ৰেকৰ্ডত বিদেশী বাদ্যযন্ত্ৰেৰে সুৰটো বাজিছে, শুনি কি মাই ক'লেহেঁতেন, "সেইডালৰ দেখোন আগগুৰি আৰু একো নাৰাখিলি, নে এইখন বেলেগ কিবা উলিয়াইছ?" কিয়নো প্ৰায় এটা পৰিপূৰ্ণ ৰূপান্তৰ, কিন্তু মা কেতিয়াবাই ঢুকাইছে (দেউতা আগতেই গৈছে), হঠাৎ এদিন ষ্ট্ৰ'ক্ হৈ, সিও বহুদিন আগৰ কথা।

কিন্তু 'হঠাৎ' কিয়? কথাবোৰ কি হঠাৎ ঘটে? বহুদিনৰ বুকুৰ বিষ, বহু বছৰৰ দুৰ্বল ৰক্তচাপ, বহু ক্ষয়-প্ৰক্ৰিয়াৰ সৰ্বশেষ পৰিণতিত নিশ্চয় সেই মূৰ্ছা। অলক্ষে, ভিতৰে-ভিতৰে, বিভিন্ন যোগসূত্ৰ, বিভিন্ন ঘটনাৰ ক্ৰমাগত প্ৰস্তুতি। উঁহটো কি 'হঠাৎ' খুলি গৈছিল এদিন পুৱা, এদিন দুপৰীয়া, এদিন আবেলি? প্ৰায় সেইছোৱা সময়ত অকস্মাৎ-অকস্মাৎ মন চঞ্চল হৈ উঠিছিল, সমস্ত চিত্ত জুৰি এটা দুৰ্বাৰ উৎকণ্ঠা, সমস্ত দেহত এটা অবৰ্ণনীয় উষ্ণতা, কি বিমূঢ়তা, কি বিভ্ৰান্তি, ৰাতি টোপনি নাহে, 'বেয়া' সপোন দেখোঁ, হঠাৎ এদিন পুৱা আয়নাত দেখিলোঁ মুখত এটা ব্ৰন ওলাইছে, বাইদৈউৱে মুখলৈ চাওঁতে লাজ লাগি গ'ল, মুখ ঘূৰাই নিলোঁ, বুজি নাপালোঁ কি অপৰাধটো কৰিলোঁ, কিয় ইমান লাজ পালোঁ। তাৰ আগতে তেনেই সৰু থাকোঁতে, ঘৰৰ আগচোতালত আবেলি পাৰাৰ এজাক সৰু ল'ৰা-ছোৱালীয়ে ঘঁৰিয়াল আৰু ঘাই-ঘাই খেলি কোঢ়াল লগাইছিল, এদিন মোৰ টেনিচ বলটো লুকাই থোৱাৰ বাবে খং উঠি তাৰে মীনু (মিনতি) বোলা ছোৱালীজনীক কাণমলা এটাও দিছিলোঁ, ভেঁ কৰি কান্দি দিছিল আৰু ভৱিষ্যতে মোৰ টেনিচ বলত মৰি গ'লেও আৰু হাত নিদিয়ে বুলি শপত খাইছিল, টেনিচ বল এৰি যেতিয়া আমি তিন নম্বৰী ফুটবল লৈ ফিল্ডলৈ যাব আৰম্ভ কৰিছোঁ তেতিয়া এটা বেলেগ জাকে আমাৰ চোতালত খেলে, মীনুক মাথোঁ মাজে-মাজে ৰাস্তাত দেখোঁ বেণীত ৰঙা ফিটা মাৰি কিতাপ-বহী আৰু এটা টফিৰ টিন লৈ লগৰীহঁতৰ লগত ইস্কুললৈ যায়, 'লেং লেংকৈ দীঘল হৈ গৈছে' (বাইদেউৰ কথা), এদিন তাই মাৰপৰা কিবা এটা নিব আহোঁতে তাইৰ গোল, মসৃণ মুখখনত হঠাতে কাষৰপৰা দেখিলোঁ কিবা এটা বিভিন্নতা, আকৌ চালোঁ,— ঠিক তাইৰ ওঁঠৰ ওপৰতে এটা ব্ৰন ওলাইছে, মোৰ দৰে, ইমান আচৰিত, ইমান অপ্ৰত্যাশিত, ইমান 'হঠাৎ'! আৰু মোৰ মনত পুনৰ্বাৰ এটা চঞ্চল উৎকণ্ঠা, সমস্ত দেহত এটা অবৰ্ণনীয় উষ্ণতা, কি বিমূঢ়তা, কি বিভ্ৰান্তি! "তোমাৰ আজি ইস্কুল নাই, মীনু?" নে তেনেকুৱা কিবা এটা অৰ্বাচীন কথা ক'ব গ'লোঁ, হঠাৎ ইমান লাজ লাগিল, থোকাথুকিকৈ ৰৈ গ'লোঁ, মীনুও যেন হঠাৎ অপ্ৰস্তুত হৈ পৰিল, আৰু লৰালৰিকৈ ওলাই গ'ল। মনৰ ভিতৰত কিবা এটা অনিৰ্দিষ্ট সুৰ যেন গুঞ্জৰি উঠিব খুজিছে—আজিৰ এই সুৰটো নহয়—কিন্তু হয়তো তাৰপাছতেই—প্ৰথম এই সুৰটো কাণত পৰিছে ক'ৰবাত, যেন অস্ফুট গুঞ্জনটোৱে এটা আধাৰ পালে, গভীৰলৈ সোমাই গ'ল, থাকি গ'ল—

বা, হয়তো অন্য কিবা পৰিস্থিতিত সুৰটো প্ৰথম শুনিছোঁ, মনত নপৰে, বহুদিন আগৰ কথা। ইতিমধ্যে ইস্কুলৰ আলোচনীত মোৰ দুটা কবিতা ছপা হৈছে, তাৰপাছত দাদা-বৌহঁতে ঘৰ এৰি মফচললৈ উঠি গ'ল, তাৰপাছত মীনুৱে এদিন তাইহঁতৰ স্কুলত মোৰ গান এটা গালে, তাৰপাছত কলেজত আৰু একো নাগালে, তাৰপাছত এদিন ৰেডিঅ'ত আৰু এটা গালে, তাৰপাছত নীৰৱতা, তাৰপাছত বিয়া হৈ গুচি গ'ল, তাৰপাছত ঘৰৰ এছোৱা ভাৰা দিলোঁ, দূৰৰপৰাই দাদাই ঘৰৰ তদাৰক কৰে, তাৰপাছত মই এটা বৃত্তি পালোঁ আৰু দুবছৰৰ ট্ৰেইনিং ল'বলৈ আৰু তাৰপাছত কিছুদিন কাম কৰিবলৈ ইংলণ্ডলৈ গ'লোঁ, বাইদেৱে লিখিলে, বহুদিনৰ বাবে বহু দূৰলৈ যাব ওলাইছা, সাহস আৰু আনন্দ তোমাৰ সংগী হওক—

তাৰপাছত পুনৰ নীৰৱতা, বহুদিনলৈ আৰু একো নিলিখিলোঁ, পুৱা কাৰখানা, আবেলি ক্লান্তি, ব্যস্ত দিন আৰু অলস দিন, ৰৈ-ৰৈ এটা নুবুজা আক্ষেপ, কিজানি ভুল হ'ল, এনেকৈ গুচি আহিব নালাগিছিল, য'তে আহিছোঁ তাতেই থাকিব লাগিছিল, মাজে-মাজে মীনুৰ ওঁঠৰ ওপৰৰ ব্ৰনটো হঠাৎ মনত স্পষ্ট হৈ ভাহি উঠে, আচৰিত হৈ যাওঁ, কিজানি কি এটা চেষ্টা কৰিব লাগিছিল, নকৰিলোঁ, দ্বিধাত বা অবহেলাত, কিজানি কি এটা হেৰুৱালোঁ, বা হেৰুৱাম, যেন ছিন্নমূল প্ৰবাসীৰ অনিৰ্দিষ্ট আশাহীন চেতনা, 'সাতুৰি আহিলোঁ হাজাৰ লোকৰ ভিৰ'...আৰু হাজাৰ লোকৰ ভিৰৰ স্তৰে-স্তৰে আমি হাজাৰ ধৰণৰ নতুন-নতুন শব্দ শুনিলোঁ, নিচিনা ছন্দ, অজানা গান, নুশুনা হাঁহি, নুবুজা কান্দোন, দ্ৰুত প্ৰীতি আৰু দ্ৰুত পাহৰণি, বন্ধুত্ব আৰু বিচ্ছেদ, প্ৰেম আৰু ব্যথা, ভূপতি আৰু শ্যামল আৰু যুগলকিশোৰ, ইনগ্ৰীড আৰু ইভামাৰী আৰু ৰঙা চুলিৰে ইহুদী লেণ্ডলেডী, মানফ্ৰেড আৰু ডেকা ডক্টৰ বক্ আৰু উপচালা বিশ্ববিদ্যালয়ত পঢ়িবলৈ ওলোৱা সেই শকত গ্ৰীক ছোৱালীজনী (যাৰ দীঘল নামটো আৰু মনত নপৰে), আৰু মই বাইদেউলৈ লিখিলোঁ কেনেকৈ মই এবাৰ ইষ্টাৰৰ বন্ধৰ লগত এসপ্তাহৰ ছুটী যোগ দি ফ্ৰান্স আৰু বেলজিয়াম ফুৰিব গৈছিলোঁ, কেনেকৈ মই নাম্যুৰ চহৰৰপৰা লীয়েজ আৰু ব্ৰাচেলছলৈ এছোৱা বাট অকলে-অকলে হিচ্ছ-হাইকিং কৰিছিলোঁ, আৰু কেনেকৈ লীয়েজ চহৰৰ প্ৰায় ৫০০ মিটাৰ বাহিৰত

তেওঁৰ গাড়ীতে লিফ্‌ট দিয়া বেলজিয়াম ভদ্ৰলোকজন 'শুভযাত্ৰা' জনাই মোক ৰাস্তাৰ দাঁতিত এৰি গুচি গৈছিল (তেওঁ বেলেগ দিশে যাব), আৰু কেনেকৈ মই শূন্য মটৰৰাস্তাৰে দুপৰীয়াৰ প্ৰখৰ ৰ'দত হাতত চুটকেচটো লৈ লাহে-লাহে চহৰৰ পিনে খোজ দিছিলোঁ, ক'তো এটা কিল'মিটাৰ-শিলাও চকুত নপৰে, বহুদূৰত এটা গীৰ্জাৰ ওখ চূড়া আৰু কিছুমান ঘৰৰ খিৰিকি ৰ'দত ঝলমল কৰিছে, ইমান দূৰৰপৰা ধাৰণা হয় যেন জনপ্ৰাণী নাই, যেন এখন পৰিত্যক্ত চহৰ, কিছুদূৰ গৈ ৰাস্তাৰ দাঁতিত বাকচটো নমাই থৈ ৰেইনকোটটো খুলি হাতত ল'লোঁ, গৰম লাগিছে, দুখন মটৰ গাড়ী আৰু এখন ঘোঁৰাই টনা আপেল বোজাই গাড়ী ধূলি উৰুৱাই পাৰ হৈ গ'ল, অদৃশ্য হৈ গ'ল, তাৰ শব্দ দূৰত মিলি গ'ল, আৰু প্ৰকট হৈ পৰিল যে ৰাস্তাটো আচৰিত ধৰণে জনবিৰল আৰু নিজান, আৰু হঠাৎ উপলব্ধি কৰিলোঁ যে মই বহুদূৰত আহি পৰিছোঁ ইমান বিচ্ছিন্ন, ইমান অকলশৰীয়া, কি যেন ভুল কৰি পেলালোঁ...দেখিলোঁ ৰাস্তাটো ওখ আৰু কব্‌ল্ দিয়া, ঠেক, খহটা আৰু ধূলিময়, কোনো এখন গাড়ীৰ আৱাজ নাই, অথচ চহৰৰ ইমান কাষতে, ৰ'দত ক'ৰবাত 'ছিকাডা' পোকৰদৰে পতংগ এটাৰ ঝি-ঝি ধ্বনি, ৰাস্তাৰ তলত দুয়োপিনে পথাৰ আৰু পথাৰত ৰ'দ, আৰু বহুদূৰত কিছুমান কাৰখানাৰ চিমনী, ধোঁৱা ওলাইছে নে নাই বুজা নাযায়, সেইবোৰৰ পিছপিনে সূতাৰদৰে ক্ষীণ এখন নদী বৈ গৈছে, ইমান দূৰৰপৰাই ৰ'দৰ ঝিলিকত ধৰিব পাৰি তাৰ পানী ঘোলা, ভাগৰ লাগিছে, এনেতে হঠাৎ দূৰত এটা পেট্ৰ'ল পাম্পৰদৰে ঘৰ সন্মুখত ভাহি উঠিছে, আৰু এটা এমহলীয়া ঘৰৰ চালত প্ৰকাণ্ড বগা আখৰেৰে লিখা এটা মাত্ৰ শব্দ ঃ 'কাফে', ইমানদূৰৰপৰাও স্পষ্ট চকুত পৰে (বোধহয় চহৰ সোমোৱা মটৰচালকৰ বাবে), আৰু মই বাকচটো তুলি লৈ আকৌ খোজ দিছোঁ, ৰেচিচমুখী মৰুযাত্ৰীৰদৰে, হাতৰ তলুৱাত ঘাম, জেকেটটোও খুলি হাতত লৈছোঁ, আঃ এগিলাচ বীয়াৰ, এখন চেণ্ডউইচ, একাপ কফি!...আৰু মোৰ ভিতৰৰপৰা যেন মোৰ খোজৰ বেগ বঢ়াৰ লগে-লগে কিবা এটা ঠেলি-ঠেলি ওলাই আহিব খুজি ৰৈ-ৰৈ গৈছে,—এই যে কাফে, বগা বেৰত ক'লা কাঠৰ মাৰি দিয়া এটা দীঘল ঘৰ, এই যে পেট্ৰ'ল পাম্প, শামুকৰ প্ৰতীক অঁকা ছাইনব'ৰ্ড, জীৱনৰ সঁহাৰি, বোধহয় কাৰখানাবোৰৰ মধ্যাহ্ন-বিৰতি হৈছে, দৃষ্টিক্ষেত্ৰত বগা আৰু নীলা অভাৰঅল পিন্ধা মুখত তেল-মবিলৰ দাগেৰে বনুৱাৰ দল, কাফেৰ সন্মুখৰ গছৰ শীতল ছাঁত পাতি থোৱা টেবুলবোৰৰ এখনত এগিলাচ বীয়াৰৰ সন্মুখত বহি ক'লা ব্লাউজ আৰু বগা এপ্ৰন পিন্ধা এগৰাকী প্ৰৌঢ়া মহিলাই কিবা এটা চিলাই কৰিছে, বোধহয় কাফেৰ কৰ্ত্ৰী, আৰু কাফেৰ বেৰৰ প্ৰকাণ্ড প্ৰাচীৰপত্ৰ এখনত এখন শকত হাঁহিমুখৰ তলত ডাঙৰ-ডাঙৰ আখৰেৰে দুটা শব্দ ঃ Votez Libéral, বোধহয় স্থানীয় নিৰ্বাচন আহিছে, আৰু হঠাৎ মই গম পাইছোঁ মোৰ ভিতৰৰপৰা সকলো বাধা ঠেলি পুৰণি সুৰটো ওলাই আহিছে, মোৰ অজ্ঞাতেই কেতিয়া মই মৃদুস্বৰে সুহুৰি মাৰিব আৰম্ভ কৰিছোঁ, মুখত এটা হাঁহি টানি আনি মই মানুহগৰাকীৰ পিনে আগুৱাই গৈছোঁ...সাহস আৰু আনন্দৰ কথা নাজানো, কিন্তু সুৰটো মোৰ সংগী হৈ আহিছে—

তাৰপাছত বিভিন্ন ব্যস্ততা আৰু বিভিন্ন শব্দধ্বনিৰ মাজত সুৰটো তল পৰি গৈছে, নতুন-নতুন জনপ্ৰিয় ৰেকৰ্ডৰ স্তূপৰ তলত যেনেকৈ পুৰণিকলীয়া ৰেকৰ্ড অৱহেলিত হৈ পৰি থাকে, ধূলি জমে, লেবেলৰ আখৰ উঠি যায়, এঠাইত কোণ এটা ভাঙে, এঠাইত কাটে—মাজে-মাজে এনেয়ে বাইদেউক জনাইছোঁ (এয়াৰ লে'টাৰখন ভৰাবৰ বাবেই) এতিয়া পৃথিৱীৰ এই অঞ্চলত কি 'হীট চং'য়ে নাচঘৰ মাৎ কৰিছে, কি সুৰে ডেকা-গাভৰুৰ ৰক্তপ্ৰবাহ দ্ৰুততৰ কৰিছে, কি গান মইও বাথৰুমত সুহুৰি দিছোঁ, ৰাতি বিছনাত শুই-শুই কিহৰ সুহুৰি খিৰিকিৰ তলত ৰাস্তাৰে পাৰ হৈ যোৱা শুনিছোঁ ঃ 'ব্ৰীজ অন দি ৰিভাৰ কোৱাই'ৰ মাৰ্চৰ্চ, চে'ণ্ড মি দি পিল' ইউ ড্ৰীম অন, টম ডুলী, অ' মাইন পাপা, ভলাৰে', চুগাৰবুঃচ্ আই লাভ ইউ চ', কমে' প্ৰিমা, ফেচ্চিনে'শ্যন্, মাৰিয়া, চামাৰ টাইম্—'

বাইদেউৱে লিখিলে, তোমাৰ গা বেয়া নেকি? বা আন কিবা হৈছে নেকি? নুলুকুৱাবা...তুমি যথেষ্ট কবিতা লিখিলা, তোমাৰ নামো বহুতে জনা হৈছে, কোনো এটাতে আজিলৈকে তুমি দ-লৈ সোমাব পৰা নাই, কিন্তু আমি আটায়ে আগ্ৰহ কৰি পঢ়িছোঁ, কাৰণ তোমাৰ কথাবোৰত গভীৰ অৰ্থ নাথাকিলেও আৱেগ আছিল, প্ৰাণৰ স্পন্দন আছিল...কিন্তু যোৱাবাৰ তুমি যি দুটা কবিতা পঠিয়াইছা, পঢ়ি মনত খোকোজা লাগিছে, কেনেকুৱা যেন অস্বাভাৱিক হৈছে, যেন তুমি নোহোৱা, যেন জোৰ কৰি...অজস্ৰ কবিতা বাৰু তুমি নিলিখিলেও হ'ব, মাজে-মাজে থামিবা, তোমাৰ ভিতৰত এটা উৎস আছে, তাৰপৰা যেতিয়া সঁহাৰি আহিব তেতিয়া হাতত কলম ল'বা...

অৰ্থাৎ বাইদেউৱেও অনুভৱ কৰিছে যে লাহে-লাহে শব্দবোৰ নিস্তেজ হৈ আহিছে, প্ৰাণৰ আৱেগ নাই, শব্দবিন্যাসৰ কাৰুকাৰ্যই যাৰ ক্ষয়িষ্ণু অস্বাস্থ্য ঢাকি ৰাখিব নোৱাৰে, তাহানিৰ সেই শব্দবোৰ নহয়, খোৱা-বোৱা পাহৰি টোপনি আৰু ভাগৰ নেওচি বিছনাত টেবুলত প্লেটফৰ্মৰ বেঞ্চিত বাছষ্টপত পূজামণ্ডপ আৰু ৰভাতলিৰ কোলাহলৰ মাজত এচুকত বহি সম্পূৰ্ণ অপৰিকল্পিত যিবোৰ শব্দক্ৰম গুঞ্জৰি উঠিছিল মনৰ ভিতৰৰপৰা কাগজলৈ নিজে-নিজে, সন্মুখৰ চাহ ঠাণ্ডা হৈ গৈছে, দাঢ়ি খুৰাব পাহৰি গৈছোঁ, ঘড়ীত চাবি দিব পাহৰি গৈছোঁ, মহে কামুৰিছে খেয়াল নাই; জোতাৰ ফিতা মাৰোঁতে-মাৰোঁতে হঠাৎ ভিতৰৰপৰা যেন এটা প্ৰকাণ্ড তৰংগ উদ্বেলিত হৈ উঠি হাত আড়ষ্ট কৰি আধাতে থমাই দিছে, প্ৰাণৰ যি উদ্দাম আৱেগে মোক আৰু বাইদেউক আৰু আন বহুতক শেষ শাৰীৰ শেষ শব্দটোলৈ অলংঘনীয়ভাৱে টানি লৈ গৈছে, সেই সকলো যেন আজি স্তিমিত হৈ-হৈ...মই লিখিলোঁ যে আনন্দ আৰু বোধকৰোঁ মোৰ সংগী নহয়, সেয়ে হয়তো এইবোৰ কবিতা তোমাৰ ভাল লগা নাই, কিবা উৎস যদি সঁচাকৈয়ে আছিল ভিতৰত, হয়তো শুকাই গৈছে, সেই উঁহ বন্ধ হৈছে, সকলো ভাল বস্তুৰে যেনেকৈ এদিন সামৰণি পৰে—

এনেদৰে কোনো উঁহ বন্ধ হৈ যাব নোৱাৰে, বাইদেউৱে বহুদিন পাছত উত্তৰ দিছিল (ইতিমধ্যে বাইদেউৰ সৰু কেচুঁৱাটো ডিপথেৰিয়া হৈ ঢুকাইছে), তুমি সেই বিষয়ে নাভাবিবাই, লিখাৰ চেষ্টাও নকৰিবা, এদিন দেখিবা যে একোৱেই শেষ হৈ যোৱা নাই, আকৌ আহিছে...মোক অভয় দিছে বাইদেউৱে, নে নিজৰ মনক বুজাইছে, মই ধৰিব পৰা নাছিলোঁ, কেঁচুৱাটোৰ মুখখন ৰিণিকি-ৰিণিকিও মনত পৰিব খোজা নাছিল, আণ্ডাৰ-গ্ৰাউণ্ড ট্ৰেইনৰ ঘৰফিৰৎ যাত্ৰীবহুল কামৰা এটাৰ ষ্ট্ৰেপত ধৰি-ধৰি মই চিঠিখন আকৌ পঢ়িছিলোঁ, দুই-এজন কৌতূহলী সহযাত্ৰীয়ে কেৰাহিকৈ মোৰ হাতৰ আচহুৱা আখৰকেইটা জুমি-জুমি চাইছিল, পঢ়োঁতে-পঢ়োঁতে ভিৰকালীন টিউব ট্ৰেইনৰ গোলমালৰ মাজত হঠাৎ মই গম পালোঁ মোৰ ওঁঠ দুখন কঁপিছে, এটা নিঃশব্দ গুণগুণ সুৰ, যেন অবহেলিত পুৰণি ৰেকৰ্ডখন পুৰণা দ'মৰ তলৰপৰা উলিয়াই আনিছোঁ, তাৰ ধূলি মচিছোঁ, বিস্মৃত শব্দ আকৌ পুলক বহন কৰি আহিছে, ক্ষয় যোৱা আৰু ক্ষীণ তাৰ ধ্বনি, কাটা-কাটা তাৰ গতি, মাজে-মাজে বজি-বজি গৈছে, ঠায়ে-ঠায়ে তীক্ষ্ণ আৰু ঠায়ে-ঠায়ে খহটা, কিন্তু নিঃসন্দেহে সেই একেটা সুৰ...

কিন্তু ‘হঠাৎ’? সঁচা, হঠাৎ হয়তো একোৱেই নঘটে, কোনো উৎস অকস্মাৎ শুকাই নাযায়, হঠাৎ একো ঘটা নাই, ইতিমধ্যে সাঁতুৰি আহিছোঁ হাজাৰ লোকৰ ভিৰ আৰু তাৰ স্তৰে-স্তৰে হাজাৰ-হাজাৰ মুহূৰ্ত পাৰ হৈ গৈছে, মীনু আৰু তাইৰ মুখৰ ব্ৰন, ভূপতি আৰু শ্যামল আৰু যুগলকিশোৰ, ইনগ্ৰীড আৰু ইভামাৰী আৰু মোৰ ব্ৰুনে'ট লেণ্ডলে'ডী, মানফ্ৰেড আৰু ডক্টৰ বক্ আৰু উপচালা বিশ্ববিদ্যালয়ত পঢ়িব ওলোৱা সেই শকত গ্ৰীক ছোৱালীজনী, আৰু বাইদেউ বিধবা হোৱাৰ খবৰ অহাৰ পাছত যেতিয়া মই মোৰ কমত নিস্পন্দ হৈ বহি আছিলোঁ, বহু সময়ৰ পাছত যেন এটা আত্মসমৰ্পণৰদৰে আৱেশ ধীৰে-ধীৰে মোৰ দেহেৰে বিয়পি গৈছিল, পুৱাৰ প্ৰথম হালধীয়া বেলি যেনেকৈ গছৰ পাতে-পাতে বিয়পি যায়, এটা শীতল শান্তি, বাহিৰৰ মহানগৰীৰ সকলো কোলাহল স্তব্ধ, ভিতৰৰ সকলো আলোড়ন সমাহিত, মাথোঁ এটা নিঃশব্দ গুণগুণ ধ্বনিৰে মোৰ ওঁঠ দুটা মৃদুভাৱে কঁপিছে, যেন এটা পৰিচিত আশ্বাস, অভ্যস্ত পুৰণি বসনে যেনেকৈ স্বচ্ছন্দে দেহটো আবৰি ধৰে, কিন্তু তথাপি ইমান অস্পষ্ট, ইমান ৰুদ্ধ, ইমান দমিত আৰু আচহুৱা, যেন বহুদিন দূৰ প্ৰবাসত অকলে-অকলে থাকি এখন বেলেগ মুখ লৈ ঘৰৰ ল'ৰা ঘৰলৈ উভতিছে—

ঘৰ। দাদাই ইতিমধ্যে কিছু মেৰামত কৰাইছে, কিন্তু পাকঘৰৰ বেৰকেইখন এতিয়াও এলান্ধুৰে ক'লা। কাম। দৈনন্দিনতা। জীৱনৰ ঘূৰ্ণী। ব্যস্ততা। কবিতা (মাজে-মাজে)। সম্পাদক, আলোচনী, সাহিত্যিক বন্ধু। চুইডেনত তৈয়াৰী এটা ৰেকৰ্ড-প্লেয়াৰ বিদেশত গৈ ছয়মাহৰ ভিতৰতে ব'নাচৰ পইছাৰে কিনি পেলাইছিলোঁ বাইদেউৰ গান শুনাৰ চখ আছিল কাৰণে, কিন্তু বাইদেউক সেইটো এতিয়া বোলে আৰু নালাগে (বাইদেউ ইস্কুলৰ কামত সোমাইছে, ল'ৰা-ছোৱালী দুটা ডাঙৰ হ'ব ধৰিছে)। আহিবৰ সময়ত মাৰ্চেই বন্দৰৰ বিষ্ট্ৰ' এখনৰ মিউজিক-অট'মাট্ এটাৰপৰা খৰিদ্দাৰে পইছা ভৰাই চলাই দিয়া জাজ্-বাদ্য শুনি আছিলোঁ, হঠাৎ কফিৰ কাপটো নমাই সজাগ হৈ বহিলোঁ ঃ সেই সুৰটো! কি অবিশ্বাস্য।

কিন্তু আচলতে অবিশ্বাস্য একো নাছিল ঃ ‘টনি বুন ৰীদ্ কোৱাৰ্টেট্’ নামৰ ১৯৩০ নে '৪০ৰ দশকৰ এটা জাজবেণ্ডে বজোৱা এটা বাজনা, তাৰ নাম ‘বে'লা বাৰ্টক গ'জ্ টু টাউন’, হাঙ্গেৰীয় লোকগীতৰ সুৰ (সেই সময়ত জনপ্ৰিয় আছিল, আজি বিস্মৃত)। হিন্দী গানৰ সুৰটো তেনেহ'লে তাৰপৰাই আহিছে! দোকান বিচাৰি-বিচাৰি বহুকষ্টে এখন ৰেকৰ্ড যোগাৰ কৰি আনিছোঁ, ‘না-ন্না-না-ন্না-না’ আৰু মোৰ মুখৰপৰা নোলায়, বা কাশ্চিৎ, কিন্তু মাজে-মাজে ৰেকৰ্ডখন বাজে। আগৰ সেই চেতাৰ, বাঁহী, তবলা আৰু তানপুৰা নহয়, ছেক্স'ফ'ন, পিয়ান', ঢোল আৰু তাল; কিন্তু সেই একেটা স্পন্দন...

ঘৰ। কাম। দৈনন্দিনতা। কবিতা (মাজে-মাজে)। এখন সংকলন ওলাব, এই মাহৰ ভিতৰতে ছপা হ'ব, এই সপ্তাহৰ ভিতৰতে এটা কবিতা লাগে। এটা কাম কৰা ল'ৰা। সম্পাদক, বন্ধু, সাহিত্যিক বন্ধু। চিঠি ঃ কবিতাটো লাগে। টেলিগ্ৰাম ঃ কবিতাটো ক'ত? ৰেজিষ্ট্ৰী চিঠি ঃ সোনকাল কৰক! অফিচ, টেলিফোন ঃ সংগ্ৰাহকৰ কণ্ঠ ঃ কবিতাটো এতিয়াও হোৱা নাই? ঘৰ, নিস্তব্ধ, চেঁচা। টেবুলৰ সন্মুখত বহি-বহি ভৰি টানি ধৰিছে। বাৰাণ্ডালৈ যাওঁ, ৰ'দ আছে, ৰ'দত বহি লিখিম। বাৰাণ্ডা, উত্তপ্ত, বগা কাগজত ৰ'দৰ ঝাঁঝ, চকুত ধৰে। ৰাস্তা। কি ভিৰ, কি হট্টগোল, কি ধূলি, ইমান মানুহ, ৰাস্তাৰ মোৰে-মোৰে ইমান চিনাকি মুখ। নিৰ্জন পাৰ্ক। জোনাক। (জোনাক! যেন মই যোলবছৰীয়া ল'ৰা!) ঘৰ, নিস্তব্ধ, চেঁচা। কাম কৰা ল'ৰা, পাকঘৰত জুই ধৰিছে। টেবুলৰ ওপৰত চিঠি, প্ৰকাশকৰ ছীল।

মোক চাবলৈ বাইদেউ আহিছে ল'ৰা-ছোৱালী দুটা লৈ, দেওৱেকে থৈ গ'ল (বৰদিনৰ বন্ধ)। ঘৰত অনভ্যস্ত কোলাহল, সৰু ল'ৰা-ছোৱালীৰ দৌৰাদৌৰি আৰু খিলখিল হাঁহি, সকলো বস্তু-বাহানী ওলট-পালট, টানা-টানি, বাইদেউৰ ধমকি, পাকঘৰৰ এলান্ধু ক'লা বেৰকেইখনৰপৰা আকৌ সহজ, ঘৰুৱা শব্দ প্ৰতিফলিত হৈছে, কাম কৰা ল'ৰাটো বিভ্ৰান্ত, পাকঘৰত কিছুমান তাৰ নাভূত নাশ্ৰুত কাম উলিয়াইছে বাইদেউৱে। ক'লা বেৰকেইখনৰ পশ্চাৎভূমিত বগা মেখেলা চাদৰেৰে বাইদেউক ইমান বগা, ইমান পাতল, ইমান দীঘল দেখি! ৰেকৰ্ডখন বজাই শুনালোঁ, বেটাৰী ক্ষয় গৈছে, ভালদৰে নাবাজিল। কিন্তু বাইদেউৱে ক'লে, “এ হয় ভাই, সেইটোৱেই! কি আচৰিত!”

“এতিয়াতো ঠিক স্পীডত ঘূৰাই নাই। নতুন বেটাৰী আনি থৈছোঁ ৰ, লগাই দিম। তেতিয়া শুনিবি”, মই ক'লোঁ।

“সাত ৰাজ্য ঘুকটি ভাল আৱিষ্কাৰ কৰি উলিয়ালি দে তই, কম নহয়!” বাইদেউৱে ক'লে।

“কি যেন ভাবিছ!” মই ক’লোঁ, আৰু পেণ্টৰ দুই জেপত হাত ভৰাই দিলোঁ। বাইদেউৱে মোৰ মুখলৈ চাই এবাৰ হাঁহিব খুজিলে, নাহাঁহিলে, তাৰপাছত অসাবধানভাৱে ক’লে, “আজিকালি হ’বলা এইখনকে বজাই থাক?”

“অঃ, কেতিয়াবা—ৱান্স ইন এ ব্লু মুন—এই ধৰ, ইনস্পিৰেশ্যন নাহিলে—” মইও অসাৱধানভাৱে ক’লোঁ আৰু হাঁহিলোঁ, যেন কি এটা হাঁহি উঠা কথা ক’লোঁ।

সপ্তাহ শেষ হৈ আহিছে। আৰু এখন চিঠি, এইবাৰ তেওঁলোকে আগতীয়াকৈ এখন চে’ক্ পঠিয়াই দিছে! হঠাৎ ইমান খীণাই গৈছোঁ কিয়, বাইদেউৱে হয়তো আচৰিত হৈ ভাবিছে—এই দুদিন বাইদেউৰ তদাৰকত খোৱা-বোৱা আগতকৈ তো ভালেই হৈছে। পাকঘৰৰ মূঢ়া এটাত বহি লৈ কাম কৰা ল’ৰাটোক বাইদেউৱে শিকাব ধৰিছে কেনেকৈ গ্লেক্স’ আৰু বিস্কুটৰ টিনত চিজিলকৈ বিধে-বিধে বস্তু ভৰাই থ’ব লাগে। মই পাকঘৰৰ পানীৰ কলটোৰপৰা আঙুলি ভিজাই লেফাফা বন্ধ কৰিলোঁ, বাইদেউৱে ওপৰৰ ঠিকনাটো দেখিলে।

“লিখি পেলালি?” বাইদেউ ব্যস্ত হৈ উঠিল, “মোক দেখোন নেদেখু—”

“নাই, চে’কখন হে ঘূৰাই দিওঁ। বৰ খৰখেদা হ’ল অ’—এইবাৰলৈ আৰু বাদ দিলোঁ দে—”

হাতত লেফাফাটো লৈ কেইমুহূৰ্তমান অনিশ্চয়ভাৱে থিয় দি ৰ’লোঁ, কিন্তু বাইদেউৱে একো নামাতিলে, মুখ তুলিও এবাৰ মোৰ পিনে নাচালে, খুব মনোযোগেৰে কাগজৰ ঠোঙা এটাৰপৰা টিনত চেনি ঢালিব ধৰিলে। মই আৰু একমুহূৰ্ত ইতস্ততঃ কৰিলোঁ, তাৰপাছত ওলাই গ’লোঁ। চিঠিখন ডাক-বাকচত পেলাই আহি দেখিলোঁ ঘৰ নিস্তব্ধ, ভাগিন-ভাগিনী দুটা নাই, বাইদেউ অকলে-অকলে কোলাত হাত থৈ ৰেকৰ্ডপ্লেয়াৰটোৰ কাষৰ চকীখনত বহি আছে। মই ওচৰতে বহি অলপ সময় অপেক্ষা কৰিলোঁ কিবা ক’ব নেকি, তাৰপাছত জোতাৰ ফিটাডাল খুলিবলৈ হাত বঢ়ালোঁ, বাইদেউৱে কৈ উঠিল, “এইডাল নো কি জংকট এটা আনিলি, ৰেকৰ্ড এখন বজাওঁ বুলি ভাবিলোঁ, ক’ত যে কি দিব লাগে মাথা-মুণ্ড একো ধৰিবকে নোৱাৰিলোঁ।”

“হ’প্লে’ছ”, মই ক’লোঁ আৰু ঢাকনিখন খুলিলোঁ। এইটো স্পীড, মই বুজাই দিলোঁ, এইটো ভলিউম, বাইদেউৱে নিৰ্লিপ্তমুখে শুনিলে। স্তূপটোৰ ওপৰতে বাইদেউৱে মাৰ্চেইৰপৰা অনা ৰেকৰ্ডখন উলিয়াই থৈ দিছে, বহাই দিলোঁ। ৰেকৰ্ডখন ঘূৰিল, পিন আহি ঘাতত লাগিল, সেই পৰিচিত সুৰ, কিন্তু মোটা, বিচলম্বিত, যেন অতিকষ্টে টানিছে, কঁপা-কঁপা ধ্বনি। আচৰিত হৈ স্পীডৰ বুটামটো চালোঁ।

“এই। চাচোন, এইটো ১৬-ত লগাই থৈ দিছ, তহঁতো যে আৰু!” মই ক্ষুণ্ণস্বৰে ক’লোঁ।

“বুবুমণি হ’ব পায়। ইমান যে অবাধ্য হৈছে দিনে-দিনে, য’তে হাত দিব মানা কৰোঁ তাতে তাৰ উৎপাত বেছি হয়—
”

স্পীডটো ঠিক কৰি দিলোঁ ঃ সেই একে মোটা আৰু বিকৃত বাজনা, মন্থৰ, টানা-টানা। বাইদেউৱে মোৰ মুখলৈ চালে আৰু বগা, নিৰাভৰণ হাতখনেৰে ৰঙা নতুন বেটাৰীকেইটা মোৰ পিনে আগুৱাই দিলে।

“নাঃ, এতিয়া থাকক দে”, মই হঠাৎ ক্লান্তভাৱে কৈ উঠিলোঁ, “এইবোৰৰ বেটাৰী খোলাখুলি বৰ জঞ্জাল অ’, আবেলি লগাই দিম দে”, আৰু চকীত বহি লৈ মই তলমুৰকৈ জোতাৰ ফিটা খুলিব ধৰিলোঁ, মই বুজিব পাৰিলোঁ যে বাইদেউৱেও বুজিব পাৰিছে যে সকলো উঁহ এদিন সঁচাকৈয়ে বন্ধ হৈ গৈছে।